# অভিজ্ঞতাৰ স্নেপশ্বট

বাংলাদেশ সৃষ্টিৰ পশ্চাদপদত পূৰ্ব-পাকিস্থানৰ পৰা বহিৰ্গমন ঘটা ৰিফিউজীসকলক ভাৰত চৰকাৰে আশ্ৰয় প্ৰদান কৰি পুনৰ সংস্থাপনৰ ব্যৱস্থাৰ পৰিণতিত অসমৰ বিভিন্ন অঞ্চলত আৰ্থ-সামাজিক পট পৰিবৰ্তন হ'ব ধৰিছিল। পূৱ পাকিস্থানত গৃহহাৰা হোৱা অগণন লোকৰ তাৎক্ষনিক আগমনে স্থানীয় সমাজ ব্যৱস্থাক বাৰুকৈয়ে প্ৰভাৱিত কৰিছিল। তাৰ ভিতৰত 'কম মজুৰীত প্ৰচুৰ শ্ৰমিক' বাতাবৰণে এনে অৱস্থাৰ সৃষ্টি কৰিছিল। এয়া ঊনবিংশ শতিকাৰ আশীৰ দশকৰ প্ৰথমাৰ্ধৰ কথা। 'পি. এছ. বাক'ৰ বিখ্যাত সাহিত্য সৃষ্টি 'ৰিফিউজী'ত প্ৰতিফলিত নিম্নতম মজুৰীত শ্ৰমৰ তৎকালিন যোগান বৃদ্ধিৰ দৰে পৰিঘটনা সেই সময়ত অসমতো সংঘটিত হৈছিল। সেই সময়ত গোৱালপাৰা আৰু কামৰূপ জিলাৰ দক্ষিণাঞ্চলত নিম্ন মজুৰীত শ্ৰমৰ যোগান অভুতপূৰ্বভাৱে বাঢ়ি গৈছিল। আশ্ৰয় শিবিৰত (বামুণীগাঁও, সিধাবাৰী আদি ঠাইত) থকা কৰ্মক্ষম পুৰুষ-মহিলাৰ উপৰিও শিশু শ্ৰমিকো স্থানীয় বাসিন্দাসকলৰ ঘৰত অতি নগণ্য মজুৰীত কৃষিৰ উপৰিও নানা ধৰণৰ ঘৰুৱা কামত নিয়োজিত হৈছিল। স্থানীয় চহকী আৰু মধ্যবিত্ত সমৰ্থৱান লোকসকলে শ্ৰমৰ প্ৰাচুৰ্যতাৰ সুযোগ গ্ৰহণ কৰিছিল। বছৰ বছৰ ধৰি চন পৰি থকা পতিত জমি, অৰ্ধ-জাৰণি আদি ঠাই কৃষি অথবা উদ্যান উপযোগী কৰি তোলাৰ এক অলিখিত প্ৰতিযোগিতা চলিব ধৰিছিল। সেই সময়ৰ অনুন্নত যাতায়াত যোগাযোগ আৰু শিক্ষাত পিছপৰা দক্ষিণ কামৰূপ আৰু গোৱালপাৰা জিলাৰ দক্ষিশ অঞ্চলত জনবসতি তেনেই সেৰেঙা আছিল। এই অঞ্চলৰ বিস্তৃত ঠাইসমূহ সাধাৰণ জাৰণি আৰু প্ৰচুৰ পতিত জমিৰে পৰিপূৰ্ণ আছিল। তাকৰীয়া শিক্ষানুষ্ঠান

আৰু নিম্ন সাক্ষৰতা হেতু এই অঞ্চলত নানা অন্ধবিশ্বাসে আৱৰি ৰাখিছিল। এনে অন্ধবিশ্বাসৰ ভিতৰত আজিকোপতি প্ৰচলিত হৈ থকা ভুত-প্ৰেতৰ নানা প্ৰকাৰৰ মুখৰোচক কাহিনীৰ প্ৰাৱল্য যথেষ্ট বেছি আছিল। প্ৰায় অনাখৰী লোকসকলৰ মাজত ভুত-প্ৰেত সম্পৰ্কীয় 'সঁচা সদৃশ' অনেক কাহিনী শুনা গৈছিল। গঁএৱা ৰাইজৰ বিভিন্ন ধৰণৰ আলোচনা-বিলোচনাত এনে ধৰণৰ বিশ্বাস কিম্বদন্তী স্বৰূপ প্ৰচলিত হৈ আছিল। কিছুমান বিশেষ বিশেষ পুৰুষ আৰু মহিলাৰ গাত অশৰীৰি ভুত-ভুতুনী সংপৃক্ত হৈ থকাৰ কথা শুনা গৈছিল। আনকি এনে বিশ্বাসৰ পৰিণতিত অনেক পুৰুষ মহিলাই মৃত্যুদণ্ডেৰে দণ্ডিত পৰ্যন্ত হ'বলগীয়া হৈছিল আৰু তাৰ প্ৰকোপ আজিকোপতি পৰিলক্ষিত হৈ আছে। নিৰ্দিষ্ট কিছুমান ঠাই চোখা বুলি বিশ্বাস কৰা হৈছিল। চোখা ঠাই বুলি বিশ্বাস কৰা স্থানত বিশেষ কিছুমান সময়ত ভুতক সশৰীৰে দেখা যায় বুলিও বিশ্বাস কৰা হৈছিল। চোখা ঠাইবোৰত ভৰদুপৰীয়া, কাল সন্ধিয়া অথবা এন্ধাৰ নিশা অকলশৰে গ'লে ভুত প্ৰত্যক্ষ কৰিব পাৰে বুলি বিশ্বাস কৰা হৈছিল। তেনে অপায়ৰ কৱাল গ্ৰাসত পৰি অনেকৰ মৃত্যু পৰ্যন্ত হোৱা শুনা গৈছিল।

সমসাময়িক এনে বাতাবৰণে স্বাভাৱিকতে মন মস্তিস্কত এনে এক অজান আশংকাৰ স্থিতি প্ৰদান কৰিছিল যে তেনে ভ্ৰান্ত বিশ্বাসৰ পৰা মুক্তি পোৱা তেনেই দুৰূহ হৈ পৰিছিল। ৰিফিউজী আগমন আৰু তাৎক্ষণিক জন বিস্ফোৰণৰ সন্ধিক্ষণত ভুত বিশ্বাসৰ চিৰস্থায়ী বেমাৰৰ যেন এক পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া হৈছিলোঁ এই নিবন্ধকাৰ। বৰ্ণনা কৰিব খোজা অভিজ্ঞতাৰ স্নেপশ্বট আটাইতকৈ শিহৰণকাৰী আৰু ৰোমাঞ্চকৰ কাহিনীটো নিম্ন ধৰণৰ -

১৯৭৪ চনৰ কথা। দীৰ্ঘ কৰ্ম বিৰতিত ঘৰমুৱা হওঁতে শিহৰণকাৰী এক ঘটনাই ভুত-সংপৃক্ত মানসিকতাৰ পৰিবৰ্তন মুহূৰ্ততে ঘটালে। মটৰ যাত্ৰাৰ অন্তত পথাৰ, সাধাৰণ জাৰণিৰ উপৰিও সৰু-সুৰা জান-জুৰি পাৰ হৈ নিজ বাসস্থান পাব পাৰি। পদব্ৰজে উক্ত যাত্ৰাত মাজে মাজে লুংলুঙীয়া বাটেৰে আগবাঢ়িব লাগে। ইতিমধ্যে প্ৰবাদ প্ৰতীম জয়াঁল ঠাই এডোখৰো পাৰ হ'ব লাগে। দিন হোৱা হেঁতেন ভূতৰ অজান আশঙ্কাই নাথাকিলেহেঁতেন। চকা ডুবাৰ এঘণ্টামান পিছত এই যাত্ৰা আৰম্ভ হোৱা হেতু নিৰ্দিষ্ট ভীতি কেন্দ্ৰিক

ঠাইখন অতিক্ৰম কৰাৰ অজান আশংকাই মনত বাৰুকৈয়ে ঠেকা খুন্দা কৰি আছিল। 'মই আৰু মোৰ ছাঁ, দুয়ো দুয়োৰে লগৰীয়া' সদৃশ মনোভাৱেৰে দুৰন্ত গতিত কেইবা যোজন বাট এন্ধাৰ ফালি আগবাঢ়িব ধৰিছিলোঁ। মনত প্ৰবল সাহস গোটাই এসময়ত গৈ অতি চিনাকি ঠাইখনত ভৰি থবহে পাইছিলোঁ। ঠাইখনৰ পৰিবৰ্তিত দৃশ্যই হতচকিত কৰি তুলিছিল। পূৰ্বে থকা জাৰ্মানী বন আৰু লাজুকী লতাৰে আবৃত বৃহৎ সমতল ওখ ভূমিডোখৰ কোদালৰ চাব আৰু নাঙলৰ সিৰলুৰে বস্ত্ৰহীনা কৰি তুলিছিল। ভয়াৰ্ত্ত নয়নে ইফালে-সিফলে চাওঁতে হঠাৎ চমকিত হৈ পৰিছিলোঁ। নাতিদূৰৰ এক ক্ষুদ্ৰাকৃতিৰ শুকুলা বস্ত্ৰ পৰিহিত মানৱ আকৃতিৰ প্ৰতিচ্ছবি আমাৰ সমান্তৰালকৈ অগ্ৰগামী হৈ আছিল। পূৰ্ব-শ্ৰুত সকলো কাহিনী আৰু বাস্তৱ ভূত প্ৰত্যক্ষৰ যেন এক সহ-অৱস্থান হৈ পৰিছিল। সৰ্বশৰীৰ যেন বেঙে মুতা গৰুৰ দৰে হৈ পৰিছিল। মূৰৰ চুলিৰ পৰা ভৰিৰ সৰু গাঠিলৈ সকলোবোৰ নোম ডাল ডাল হৈ থিয় দিছিল। বুকুৰ ধপ-ধপনিয়ে যেন উশাহ-নিশাহ অস্বাভাৱিক কৰি তুলিছিল। তেনে ভয়াৰ্ত অৱস্থাত নানা বিকল্পই মনত দোলা দি যাব ধৰিছিল। চিঞৰিম নেকি? নাই, কোৱা শুনিছোঁ ভূতৰ সন্মুখত চিঞঁৰিলে খোল খোৱা মুখখন আৰু জাপ নাখায়। উশাহ ঘূৰি নাহে। দৌৰি পলাম নেকি? নাই, শুনিব পাইছোঁ - দৌৰিলে ভূতে ভৰিত লেং মাৰি হেঁচি ধৰে। নিজকে সুধিছোঁ- ভয় খাইছোঁ নেকি? নাই, ভয় খোৱা বুলি গম পালে ভূতে নেৰে। তেন্তে কি উপায়েৰে ৰক্ষা পাব পাৰি। শুনিছোঁ মানুহৰ ইচ্ছা শক্তিৰ লগত কোনো অপশক্তিয়ে ফেৰ মাৰিব নোৱাৰে। তেন্তে ইচ্ছা শক্তিৰ প্ৰাবল্য প্ৰমাণ কৰাৰ বাহিৰে গত্যন্তৰ নাই। ভয়ত বিহ্বল স্বত্বেও মানসিক ভাবে সবল আৰু ভয় খোৱা নাই বুলি প্ৰমাণ কৰিবলৈ দৃঢ় হৈছিলোঁ। ইতিমধ্যে দৃশ্যমান ভূতৰ পৰা দৃষ্টি ভুলতেও আন দিশলৈ লোৱা নাছিলোঁ। কাৰণ শুনিছিলোঁ যে দৃষ্টি আনফালে ল'লে ভূতে তৎক্ষণাত ৰূপ সলাই অন্য ৰূপ ধাৰণ কৰে... যিটো হ'ব পাৰে অতি বিকৃত। সেইবাবে অপলক নেত্ৰে ভূতৰ পিনে দৃষ্টি নিবদ্ধ ৰাখি ধীৰে ধীৰে হাউলি এচপৰা ডলি হাতত তুলি লৈ ভূতৰ ফালে অগ্ৰগামী হৈছিলোঁ। ভূতৰ কিছু ওচৰ পাই সৰ্বশৰীৰৰ শক্তি গোটাই চিঞঁৰি চিঞঁৰি সাবধান বাণী শুনাইছিলো তাক আঁতৰি যাবলৈ।

অন্যথাই হাতত থকা কাতিমহীয়া শুকান মাটিৰ চপৰাৰে ফৰ্মুটিয়াই তাৰ আধ্যা পেলাম। নাই, ভূতৰ একো ল'ৰ-চৰ নাই আৰু তাৰ ৰূপৰো সলনি হোৱা নাই। কেতিয়াও শেষ নহ'ব খোজা বিপদ ৰজনীৰ যেন অন্ত পৰাৰহে সময় আহি পৰিছিল। দীৰ্ঘ সময়ৰ যেন সফল সামৰণি পৰিব। মনত পুনৰ সাহস ভাবে সকলো শংকাৰ যেন অন্ত পেলাইছিল। ভুত সদৃশ বস্তুটোৰ আৰু ওচৰত গৈ ফৰ্মুটিয়ালোঁ কিন্তু  কোনো সহাঁৰি নাই। পুনঃ ধীৰে ধীৰে সেই প্ৰতিমূৰ্ত্তিৰ নাতিদূৰ পাওঁতেহে উৰহীৰ ওৰ ওলাই পৰিছিল। লগে লগে ক'ব নোৱাৰাকৈ মুখত উচ্চাৰিত হৈছিল ইউৰেকা- ইউৰেকা। সেয়া আছিল সৰিয়হ খেতিত সংস্থাপিত কৰা ছোঁ। প্ৰবাদ আছে ভয়েই হেনো ভূত।

●●●

# উচ্চ শিক্ষা স্তৰত অৰ্থশাস্ত্ৰ অধ্যয়নৰ প্ৰসংগ

উচ্চ শিক্ষা স্তৰত অৰ্থবিজ্ঞানৰ প্ৰতি গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে সচৰাচৰ অনিহা প্ৰকাশ কৰা দেখা যায়। এই বিষয়টো বৰ নিৰস আৰু বুজিবলৈ বৰ কঠিন বুলি সাধাৰণ এক ধাৰণাই শিক্ষাৰ্থীৰ মনত শিপাই আছে বাবে এনে অৱস্থা হৈছে। প্ৰকৃততে বিষয়টো সন্দৰ্ভত ভালদৰে গমি পিটি নোচোৱাকৈয়ে এনে ভ্ৰান্ত এক ধাৰণা শিক্ষাৰ্থীয়ে মনত পুহি ৰাখিছে। ছাত্ৰ-ছাত্ৰীৰ মাজত ইতিমধ্যে স্থিতি লোৱা অঙ্কশাস্ত্ৰ ভীতি আৰু অৰ্থশাস্ত্ৰত ইয়াৰ প্ৰয়োগ অৱধাৰিত হৈ পৰা অৱস্থাই ভূতৰ ওপৰত দানহ পৰাদি শিক্ষাৰ্থীৰ মনত এক শঙ্কা বাৰুকৈয়ে সংস্থাপিত হৈছে।

এনে প্ৰেক্ষাপটত সৰহ সংখ্যক শিক্ষাৰ্থীয়ে অৰ্থশাস্ত্ৰৰ দৰে এক গুৰুত্বপূৰ্ণ আৰু বাস্তৱ সমাজবিজ্ঞান অধ্যয়নৰ পৰা আঁতৰি থাকিবলৈ খুজিলে সামগ্ৰিক ভাবে সমাজে পাবলৈ বিচৰা অনেক অৱদানৰ পৰা বঞ্চিত ৰখাৰ দৰেহে হ'ব। অৰ্থশাস্ত্ৰ অথবা ইয়াৰ লগত সম্পৰ্কিত অঙ্কশাস্ত্ৰৰ অধ্যয়নত প্ৰকৃততে কোনো ভীতি-শঙ্কাৰ অৱকাশ থাকিব নোৱাৰে যদিও শিক্ষাৰ্থীৰ মনত আজিকোপতি বিশেষকৈ অৰ্থশাস্ত্ৰৰ অধ্যয়ণত এনে শঙ্কা হেঙাৰ ৰূপে থিয় দিছে। এই প্ৰসঙ্গত অৰ্থশাস্ত্ৰৰ অধ্যয়নত প্ৰৱেশ কৰাৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ বাস্তৱতাৰ সৈতে ইয়াৰ সৰলীকৃত উপলব্ধিৰ বাবে বিভিন্ন দিশ জুকিয়াই চোৱাৰ বাবে এই নিবন্ধটি যুগুত কৰা হ'ল।

মানৱ সভ্যতাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচিত কেইটামান বিষয়ৰ বিদ্যায়তনিক অৰিহণা যোগোৱা ব্যক্তিত্বক বিশ্বৰ সৰ্বোচ্চ সন্মান "নবেল বঁটা"

ৰে বিভূষিত কৰা হয়। মানৱ সমাজৰ বাবে হিত সাধনকাৰী এনে বিষয়সমূহৰ গুৰুত্ব হেতু যি ছয়টা বিষয়ত এই বঁটা প্ৰদান কৰা হয় তাৰ ভিতৰত অৰ্থশাস্ত্ৰও অন্যতম। ভাৰতবৰ্ষৰ সৰ্ব্বোচ্চ অসামৰিক সেৱাৰ চাকৰিৰ প্ৰায় সমপৰ্যায়ৰ "ভাৰতীয় অৰ্থনৈতিক সেৱা"ৰ চাকৰিৰ বাবে অৰ্থ বিজ্ঞানৰ শিক্ষাৰ্থীৰ বাবে যথেষ্ট সুযোগ আছে। তদুপৰি চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ বেঙ্ক, বীমা বিভিন্ন বিত্তীয় প্ৰতিষ্ঠান আৰু ব্যৱসায়ী প্ৰতিষ্ঠানত অৰ্থশাস্ত্ৰৰ শিক্ষাৰ্থীৰ যথেষ্ঠ কৰ্ম্ম সুযোগ আছে। সেইবাবে বিভিন্ন বৃত্তিমূলক, কাৰিকৰি, মেনেজমেণ্ট আদি সকলো বিভাগৰ শিক্ষাৰ্থীৰ বাবে নিন্মতম হ'লেও অৰ্থশাস্ত্ৰৰ প্ৰাথমিক ধাৰণা সমূহ বাধ্যতামূলক পাঠ্যক্ৰম হিচাপে অন্তৰ্ভুক্ত হৈ আছে।

জীৱশ্ৰেষ্ঠ প্ৰাণী হিচাপে মানুহ সৰ্বোতকৃষ্ট দুটা গুণৰ অধিকাৰী ১। মানুহ বিবেচক আৰু ২। বিবেচক প্ৰাণী হিচাপে মানুহৰ নান্দনিক গুণ থাকে। এই দুটা মানবীয় গুণ আন প্ৰাণীৰ নাই। জন্ম লগ্নৰে পৰা শৈশৱলৈকে ক্ৰমে মানসিক বৈশিষ্ট্যপূৰ্ণ গুণসমূহৰহে বিকাশ দ্ৰুততৰ হ'বলৈ ধৰে। কৈশোৰোত্তৰ কালৰ পৰা মানৱ সমাজ সভ্যতাৰ প্ৰভাৱত যিকোনো ব্যক্তিৰ মানৱীয় গুণবোৰৰ বিকাশ অধিক হ'ব ধৰে। সুস্থ পাৰিবাৰিক, ওচৰ চুবুৰীয়া আৰু সামাজিক পৰিৱেশে ব্যক্তি এগৰাকীৰ বিবেচনাপূৰ্ণ গুণবোৰৰ বিকাশ অধিক কৰি তোলে আৰু তাৰ প্ৰভাৱত তামসিক গুণবোৰ বশীভূত হ'ব ধৰে যদিও সহজাত প্ৰবৃত্তিৰূপত এইবোৰ আন্তৰ্নিহিত হৈ থাকে। এনে পৰিক্ৰমাত শিক্ষাৰ্থীৰূপে অৱতীৰ্ণ কৈশোৰ অৱস্থাতেই জীৱন সম্পৰ্কীয় কিছুমান মৌলিক প্ৰশ্নৰ অৱতাৰণা আৱশ্যকীয়। কৈশোৰ অৱস্থাত তামসিক প্ৰবৃত্তিৰ সহযোগত অপৰাধ প্ৰৱনতা অতিপাত বৃদ্ধি হোৱাৰ সম্ভাৱনা দেখা যায়। এনে প্ৰবৃত্তি প্ৰতিৰোধ কৰাৰ বাবে শিক্ষাৰ্থীৰ শিক্ষক-শিক্ষয়িত্ৰী, অবিভাৱক অথবা সংশ্লিষ্ট উপদেষ্টাই মানৱ জীৱন সম্পৰ্কীয় প্ৰশ্নবোৰ তেওঁলোকৰ হৃদয়ঙ্গম কৰিবলৈ অবিৰত প্ৰচেষ্টা কৰিব লাগে। শিক্ষাৰ্থীৰ সন্মুখত অৱতাৰণা হ'বলগীয়া প্ৰথম প্ৰশ্ন মানুহ হিচাপে জন্ম লোৱাৰ কাৰণ আৰু উদ্দেশ্য সম্পৰ্কীয় ব্যাখ্যাৰ সৈতে জড়িত। দ্বিতীয় প্ৰশ্ন আহিব পাৰে মানুহ হিচাপে জন্ম লোৱাৰ পিছত কেনেবোৰ সমস্যাত পৰিবলগীয়া হয় অৰ্থাৎ জীৱন ধাৰণ প্ৰক্ৰিয়াৰ প্ৰধান উদ্দেশ্য সম্পৰ্কীয় অনুসন্ধিৎসা। ভিন্ন দৃষ্টিভঙ্গীৰে এনে অনুসন্ধিৎসাৰ

অনেক উত্তৰৰ ভিতৰত বিজ্ঞানসন্মত সঠিক উত্তৰ হ'ব পাৰে "জীয়াই থকা" ই মানৱ জীৱনৰ একমাত্ৰ উদ্দেশ্য। এনে উত্তৰৰ বাস্তৱতা পৃথিৱীত ভূমিষ্ঠ হোৱা আন কোনো প্ৰাণীৰ ক্ষেত্ৰতেই প্ৰয়োজ্য নহয়। মানুহৰ ক্ষেত্ৰত ই সম্পূৰ্ণকৈ সুকীয়া কিয়নো মানুহ জীৱশ্ৰেষ্ঠ। মানুহ জীৱশ্ৰেষ্ঠ হোৱাৰ বলতে ই বিবেচক হোৱাৰ উপৰিও নান্দনিক গুণৰ অধিকাৰী। নান্দনিক গুণৰ সহজ অৰ্থ হ'ল- সকলো ভাল, সুন্দৰ, ধুনীয়া আদিৰ প্ৰতি সহজাত আকৰ্ষণ আৰু প্ৰদৰ্শন কৰিব খোজা মানসিক ইচ্ছা। নান্দনিক গুণৰ বশৱৰ্তী হৈ যিকোনো মানুহে প্ৰথমতে নিজকে ধুনীয়া অথবা সুন্দৰ কৰি ৰখাৰ যাবতীয় কৰণীয়বোৰ কৰে। নিজে সৃষ্টি কৰিব খোজা বিষয়কো সুন্দৰ হোৱা বিচাৰে আৰু পাৰিপাৰ্শ্বিক অৱস্থাকো সুন্দৰ কৰিব খোজে। কব পৰাকৈ বা কব নোৱাৰাকৈয়ে সকলো মানুহৰূপী প্ৰাণীয়ে ভিন্ন স্তৰৰ সুন্দৰ সাধনাত ব্ৰতী হৈ থাকে আৰু তেওঁলোকৰ দ্বাৰা সৃষ্টি কৰ্ম সকলোবোৰ সুন্দৰ হয়। সেয়েহে হয়তো সমাজত এষাৰ আপ্ত বাক্য প্ৰচলিত হৈ আছে যে সৃষ্টিৰ সকলো বস্তুৱে সুন্দৰ।

বিবেচক আৰু নান্দনিক বৈশিষ্ট্যপূৰ্ণ মানুহৰ সহজাত প্ৰবৃত্তিৰ আঁতধৰি শিক্ষাৰ্থীৰ জীৱনৰ উত্তৰ বিজ্ঞানসন্মতভাৱে দাঙি ধৰিলে আপোনা আপুনি কিছুমান আনুষংগিক প্ৰশ্ন আৰু ইয়াৰ উত্তৰ ওলায়। মানুহৰ জীয়াই থকাৰ উদ্দেশ্যৰ সৈতে সঙ্গতিপূৰ্ণ প্ৰশ্ন শিক্ষাৰ্থীৰ মনত জাগৃত হ'ব পাৰে যে জীয়াই থাকিবলৈ মানুহে কি কৰে? ইয়াৰ সহজ উত্তৰ ওলায় ভোগ কাৰ্যত ব্ৰতী হ'ব লাগে। ক্ৰমাগতভাৱে প্ৰশ্ন উত্থাপন কৰি গৈ থাকিলে উৎপাদন, উপাৰ্জন, বিনিময়, বিতৰণ, টকা, পইচা, হিচাপ-নিকাচ, ব্যৱসায়-বাণিজ্য আদি কথাবোৰ আহে। এই কথাবোৰৰ পৰা পৃথিৱীৰ কোনো মানুহ জীৱন পৰিক্ৰমাত আঁতৰি থাকিব নোৱাৰে। এই বাস্তৱ কথাখিনিয়ে হ'ল অৰ্থশাস্ত্ৰৰ ঘাই বিষয় বস্তু। এনেদৰে মানৱ জীৱনত অৱশ্যম্ভাৱী হৈ পৰা মৌলিক কথাবোৰ হৃদয়ংগম কৰাৰ প্ৰয়াস কৰিলে প্ৰকৃততে অধ্যয়ন কৰিবলগীয়া কোনো বিষয় কাৰো বাবে কঠিন হ'ব নোৱাৰে। এনেবোৰ অৱশ্যম্ভাৱীৰ পৰা মানুহে যিহেতু কোনো পৰিস্থিতিতে হাত সাৰিব নোৱাৰে তেন্তে সমাজ বিজ্ঞানৰ অন্যতম গুৰুত্বপূৰ্ণ বিষয় "অৰ্থশাস্ত্ৰ"ৰ পৰা কিদৰে আঁতৰি থাকিব?

নবাগত শিক্ষাৰ্থী যিসকল উচ্চতৰ বিদ্যালয় অথবা মহাবিদ্যালয়ত প্ৰৱেশ কৰে সেই সময়ত অভিভাৱক, শিক্ষক অথবা তেওঁলোকৰ পূৰ্ব্বজ সকলে এনেবোৰ কথাৰ অৱতাৰণা কৰা উচিত। এনে বাতাবৰণ সৃষ্টি কৰিব পাৰিলে শিক্ষাৰ্থী সকলৰ পছন্দৰ বিষয় বাচনি সহজ হৈ পৰিব আৰু অৰ্থশাস্ত্ৰ অধ্যয়নৰ প্ৰতি থকা অহেতুক ভীতিও নিশ্চয় দূৰ হ'ব। এইখিনিতে উনুকিয়াই থোৱা ভাল যে অকল অৰ্থশাস্ত্ৰই অধ্যয়নযোগ্য আৰু আন কোনো বিষয় অলাগতিয়াল তেনে কথা হ'ব নোৱাৰে। কিন্তু আমাৰ গ্ৰাম্য পৰিৱেশত প্ৰচলিত ভ্ৰান্ত ধাৰণা সমূহ আঁতৰোৱাৰ ক্ষেত্ৰত প্ৰৱেশিকা পৰীক্ষাৰ প্ৰাককালত অথবা উত্তৰ কালত এনেবোৰ কথা তথাকথিত কাউঞ্চেলিং ৰূপত উপস্থাপন কৰাৰ বাতাবৰণ সৃষ্টি কৰা জৰুৰী। শিক্ষাৰ্থীৰ ভৱিষ্যত শিক্ষাৰ দিক্ নিৰ্ণয়ৰ ক্ষেত্ৰত শিক্ষক, অবিভাৱক, সংশ্লিষ্ট কৰ্তৃপক্ষৰ দায়িত্ব নিশ্চয় আছে । এনেবোৰ বিকল্প পথৰ উপস্থাপন তথা দিক নিৰ্ণায়ক সমল ব্যক্তিৰো পৰ্যাপ্ত চাহিদাৰ সৃষ্টি হৈছে। শিক্ষাৰ্থীৰ ভৱিষ্যত শিক্ষনীয় বিষয় সমূহৰ সাম্ভাব্য সুবিধা, ভৱিষ্যত কৰ্ম্ম সুযোগ, সুবিধা আদি দিশবোৰ আৰু ইবোৰৰ পৰ্যালোচনা দাঙি ধৰাৰ এক পৰিৱেশ গঢ়ি তোলা সময়ৰ এক আহ্বান বুলি অভিহিত কৰিব পাৰি।

বিভিন্ন বিকল্প সমূহৰ ভিতৰত অৰ্থশাস্ত্ৰ অধ্যয়নত প্ৰৱেশ কৰিব খোজা শিক্ষাৰ্থীয়ে ওপৰত উত্থাপিত মৌলিক কথাবোৰ বাস্তৱৰ সৈতে ৰিজাই এক সৰলীকৃত ধাৰণা হৃদয়ংগম কৰিব পাৰিব। এইখিনি সম্ভৱ হ'লে অৰ্থশাস্ত্ৰ অধ্যয়নৰ পথো প্ৰশস্ত হৈ পৰিব। আলোচিত মৌলিক কথাবোৰ আমি সকলোৱে দেখি থকা আৰু আমি এইবোৰৰ সৈতে পৰিচিত। আমাৰ পৰিচিত কথাবোৰ শৃঙ্খলাবদ্ধভাবে অধ্যয়ন কৰিব গলেই অৰ্থশাস্ত্ৰ বুলি এটা সমাজ বিজ্ঞান আহি পৰে। তেন্তে এই বিষয়টি টান বুলি প্ৰচলিত ভ্ৰান্ত ধাৰণা থকাৰ থল ক'ত?

অৰ্থশাস্ত্ৰত অঙ্ক শাস্ত্ৰৰ প্ৰয়োগ হয় বুলি ভীতিগ্ৰস্ততাও শিক্ষাৰ্থীৰ মনত শিপাবলৈ ধৰিছে। ইও প্ৰকৃততে ভয়ৰ কাৰণ হ'ব নোৱাৰে। প্ৰৱেশিকা স্তৰত শিকি অহা হিচাপ নিকাচৰ কথাবোৰেৰে অৰ্থ শাস্ত্ৰৰ মৌলিক কথাবোৰ জুকিয়াই চোৱা হয়। মানৱ জীৱন পৰিক্ৰমাত হিচাপ নিকাচৰ পৰা কোনো ক্ষেত্ৰতে কোনেও হাত সাৰিব নোৱাৰে। মানুহ এজন কিমান ওখ বা কিমান চাপৰ,

শৰীৰৰ অঙ্গ প্ৰত্যঙ্গবোৰ কোনটোৰ অৱস্থান কোনটোৰ পৰা কিমান দূৰত্বত, জীৱনায়ু কিমান আদি কথাৰ পৰা আৰম্ভ কৰি খাদ্যৰ পৰিমান, ভিন্ন ঠাইৰ দূৰত্ব, বস্ত্ৰৰ পৰিমাণ ইত্যাদি সকলোতে হিচাপ নিকাচ অথবা জোখ মাখৰ প্ৰশ্ন জড়িত হৈ আছে। এইবোৰৰ নিম্নতম শুদ্ধ ধাৰণা আহৰণৰ বাবেইতো উজ্জীবিত হৈ আছে অংক শাস্ত্ৰ। পৰিতাপৰ কথা যে বৰ কঠিন বিষয় বুলি আমাৰ পৰম্পৰাই শৈশৱৰ পৰা শিক্ষাৰ্থীক ভীত কৰি তুলিছে। যাৰ পৰিণতিত অংকৰ কথা শুনিলে ছাত্ৰ-ছাত্ৰী দূৰতে বিদুৰ হ'ব খোজে। অঙ্কশাস্ত্ৰ বৰ কঠিন বুলি প্ৰচলিত ধাৰণাত পৰম্পৰা ভঙ্গ কৰাৰ সময় সমাগত। অঙ্কশাস্ত্ৰৰ অতি উচ্চ স্তৰৰ সোণালী অনুপাত "Golden Ratio" বুলি এটা ধাৰণা আছে। সুন্দৰৰ সৃষ্টিকৰ্তা ঈশ্বৰে তেওঁৰ সকলো সৃষ্টিত হেনো এই অনুপাত ব্যৱহাৰ কৰে। সেই বাবে ঈশ্বৰৰ যিকোনো সৃষ্টিয়ে সুন্দৰ। স্বয়ং ঈশ্বৰে আমাক সৃষ্টি কৰাত অংক প্ৰয়োগ কৰে আৰু মানুহেও অনেকে ক'ব নোৱাৰাকৈয়ে এই অনুপাতৰ ব্যৱহাৰ কৰে বিভিন্ন উৎকৃষ্ট সৃষ্টি ৰাজিত। শিল্পীৰ যিকোনো উৎকৃষ্ট মানৰ চিত্ৰ, ভাস্কৰ্য আদি জ্ঞাতভাবে বা অজ্ঞাতভাবে অংকৰ সোণালী অনুপাত ব্যৱহাৰ কৰিয়ে আছে। ইংৰাজী ষষ্ঠ শতিকাত ইছলামীয় সভ্যতাৰ সকলো উৎকৃষ্ট ভাস্কৰ্য্য আৰু শিল্প কৰ্ম্মত অংকৰ সোণালী অনুপাত ব্যৱহাৰ কৰাৰ তথ্য পোৱা যায়। এইদৰে পুনৰ জাগৰণৰ সময়ত লিওনাৰ্ডো ডা ভিঞ্চিও তেওঁৰ চিত্ৰ শিল্পত এই অনুপাত ব্যৱহাৰ কৰিছিল। সেইবাবে তেওঁৰ সৃষ্টিসমূহ সুন্দৰ হিচাপে যুগ যুগান্তৰ চলি আছে আৰু থাকিব। সকলোৰে বোধগম্য সাধাৰণ হিচাপ- নিকাচৰ অনুপাত ধাৰণাটোৰ মাজেৰে ইমান ডাঙৰ আৰু সুন্দৰ সৃষ্টি কৰ্ম্ম হৈ আছে। অথচ আমাৰ শিক্ষাৰ্থী ইয়াক কঠিন বুলি দূৰতে থাকিব খোজে। এই প্ৰসঙ্গতে কৈ থোৱা ভাল যে সকলোৱে সহজ বুলি ভাবি থকা ভাষা বিজ্ঞানৰো সৰহ সংখ্যক বৰেণ্য ব্যক্তি অঙ্ক শাস্ত্ৰজ্ঞ। অৰ্থাৎ ভালদৰে আৰু শুদ্ধভাৱে অঙ্ক হৃদয়ঙ্গম কৰিব পাৰিলেহে অতি উচ্চ মানদণ্ডৰ সাহিত্য ৰাজিৰো সৃষ্টি কৰিব পাৰি।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হয় যে অৰ্থশাস্ত্ৰ, অঙ্কশাস্ত্ৰ, প্ৰাথমিক ধাৰণাৰ হৃদয়ঙ্গমে অকল বিজ্ঞান শাখাই নহয় বৰঞ্চ কলা শাখাৰো যিকোনো বিষয়তে প্ৰৱেশৰ পথ সুগম কৰে। এনে পথ প্ৰশস্ত কৰাত উচ্চ স্তৰৰ

শিক্ষাৰ প্ৰৱেশ কৰাৰ পূৰ্বেই শিক্ষাৰ্থীলৈ "দিক নিৰ্ণয় পৰামৰ্শ"ৰ (Counselling) ব্যৱস্থা অপৰিহাৰ্য হৈ পৰিছে। ইয়াৰ অন্যথাই বিষয় সন্দৰ্ভত প্ৰচলিত ভীতিগ্ৰস্ততা অব্যাহত থাকিব।

●●●

# বিকালী অঞ্চলত গ্ৰাম্য পুথিভঁৰাল

গতিশীল মানৱ সমাজ ব্যৱস্থাত কাম্য আৰ্থ সামাজিক উন্নয়নৰ প্ৰাথমিক সম্বল হ'ল বৌদ্ধিক চিন্তা চেতনাৰ বিকাশ। প্ৰাচীন, মধ্যযুগীয়, প্ৰাক-আধুনিক আৰু আধুনিকোত্তৰ সমাজ ব্যৱস্থাৰ অগ্ৰগতি সম্ভৱ হৈছে বিবেচক প্ৰাণী মানুহৰ অফুৰন্ত জ্ঞান আৰু বুদ্ধিমত্তা বিকাশৰ বলত। দীৰ্ঘ সময় জুৰি প্ৰচলিত হৈ থকা আৰ্থ-সামাজিক ব্যৱস্থাৰ জড়তা আঁতৰাই কাম্য বিকাশৰ ফালে সমাজ ব্যৱস্থাক আগুৱাই নিয়াত যিবোৰ সমূহীয়া প্ৰচেষ্টা ফলপ্ৰসু হৈছে সেইবোৰৰ ভিতৰত গ্ৰাম্য পুথিভঁৰাল সংগঠনো অন্যতম চাবি-কাঠি বুলি বিবেচিত হৈছে। আধুনিক চিন্তা-চেতনা আৰু শিক্ষা বিস্তাৰৰ প্ৰাথমিক মাধ্যম হিচাপে এইবোৰ সংস্থাক অন্যতম বুলি গণ্য কৰিব পাৰি। কিয়নো আধুনিক শিক্ষা ব্যৱস্থা গ্ৰাম্যাঞ্চলত বিস্তাৰ আৰু প্ৰসাৰৰ বাটকটীয়া হিচাপে স্বেচ্ছাই গঢ়ি উঠা এই সংঘ পুথিভঁৰাল সমূহে প্ৰাথমিক ভুমিকা গ্ৰহণ কৰা দেখা যায়। গ্ৰাম্য জীৱনৰ সমূহীয়া উদ্দেশ্য সাধনৰ বাবে গাঁৱৰ জনসাধাৰণ সংগঠিত হোৱাৰ ক্ষেত্ৰত নামঘৰ বা তদনুৰূপ সংঘৰ সমান্তৰালকৈ গ্ৰাম্য সংঘ বা পুথিভঁৰাল সমুহে যথেষ্ট ভূমিকা পালন কৰি আহিছে। আৰ্থ-সামাজিক উন্নয়নৰ প্ৰধান উপাদান যেনে শিক্ষা, সংস্কৃতি, যাতায়াত, যোগাযোগ, কৃষি-বাণিজ্য, স্বাস্থ্য আদিৰ ক্ষেত্ৰত উত্তৰণ অঙ্কুৰিত কৰাত এই পুথিভঁৰাল ও সংঘ সমূহৰ প্ৰভাৱ অপৰিসীম। এই সংঘসমূহ যি সময়ত আৰু যিবোৰ ঠাইত গঢ়ি উঠিছিল সেই সময় আৰু ঠাইবোৰত বৰ্ত্তমানৰ দৰে আনুষ্ঠানিক শিক্ষাৰ সুবিধা নাছিল।

এই সংঘসমূহ গঢ়ি তোলাৰ প্ৰৱণতা ভাৰতীয় প্ৰেক্ষাপটত বিশ্লেষণ কৰি চালে দেখা যায় যে বিয়াল্লিচৰ ভাৰত ত্যাগ আৰু গণ আন্দোলনৰ পৰৱৰ্ত্তী

সময়ত ইয়াৰ ধাৰা প্ৰৱল হয়। আধুনিক ভাৰতৰ পুনৰ জাগৰণ সৃষ্টি কৰাৰ প্ৰয়োজনীয় উপাদান যেনে কু-সংস্কাৰ দুৰীকৰণ, শিক্ষাৰ বিস্তাৰ, সংস্কৃতিৰ উত্তৰণ, ঐক্য-সংহতি প্ৰতিষ্ঠা অৱধাৰিত কৰিবলৈ যেন এনে গ্ৰাম্য সংঘ ও পুথিভঁৰাল সমূহৰ জন্ম দিয়া হৈছিল। গ্ৰাম্য জনসাধাৰণৰ সামগ্ৰিক বৌদ্ধিক বিকাশৰ বাবে জন্ম লোৱা এই স্বেচ্ছাসেৱী অনুষ্ঠান সমূহৰ মূল উদ্দেশ্য বৃটিছ শাসন শোষনৰ পৰা মুক্তি আৰু অনৈক্যৰ মাজত ঐক্য প্ৰতিষ্ঠা নিহিত হৈ আছিল। এই ধাৰাবাহিকতাৰ ফলশ্ৰুতিত কিছুমান ঠাইত স্বাধীনতাৰ পূৰ্ব্বেই আৰু কিছুমান ঠাইত স্বাধীনোত্তৰ কাল, বিশেষকৈ, কুৰি শতিকাৰ ষাঠি দশকৰ ভিতৰত সৰহ সংখ্যক গাঁওত গ্ৰাম্য পুথিভঁৰাল ও সংঘ সমূহ গঢ়ি উঠিছিল। এইবোৰ সংঘ হৈ পৰিছিল গ্ৰাম্য জনসাধাৰণৰ আলোক সন্ধানী বিভিন্ন বিষয়ৰ আলাপ-আলোচনা, বা-বাতৰি পঢ়ন, পুথি অধ্যয়ন আৰু অঞ্চলৰ উন্নয়ন আঁচনি ৰূপায়নৰ কৰ্ষনথলী। এই সংঘবোৰ সমূহীয়া উন্নয়নৰ প্ৰচেষ্টা, ঐক্য-সংহতি, ভাৱৰ আদান-প্ৰদান, খেলা-ধূলা, নাট্যাভিনয়, সংগীত-সাহিত্য-সাংস্কৃতিক চৰ্চ্চাৰ কেন্দ্ৰ হোৱাৰ উপৰিও একো একোখন পুথি অধ্যয়নৰ মূল্যবান পুথিভঁৰালৰ ৰূপ পৰিগ্ৰহ কৰিছিল। তেনেই গ্ৰাম্য পাৰিপাৰ্শ্বিকতা আৰু সীমিত উপকৰণৰ হেতু একেখন ক্ষেত্ৰতে এই সংঘ আৰু পুথিভঁৰাল সমূহ অভিন্ন হৈ পৰে। গ্ৰাম্য জনসাধাৰণৰ বুদ্ধিমত্তা, চিন্তা চেতনা উত্তৰণত এই পুথিভঁৰাল সমূহৰ অৱদান সংখ্যাৰে জুখি উলিয়াব নোৱাৰি যদিও এইবোৰৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ অনস্বীকাৰ্য্য।

সমাজ উন্নয়নৰ মূল বিষয়সমূহ যেনে শিক্ষা, ঐক্য-সংহতি, স্বাস্থ্য, সাংস্কৃতিক বিকাশ, কৃষি, উদ্যোগ, ব্যৱসায়-বাণিজ্য, যাতায়াত-যোগাযোগ আদি উপলব্ধৰ হেতু  প্ৰচুৰ চাপ সৃষ্টিৰ বাবেই যেন এই পুথিভঁৰাল সমূহ গ্ৰাম্য জনজীৱনৰ সৈতে সম্পৃক্ত হৈ পৰিছিল। সমাজ উন্নয়নৰ গুৰুত্বপূৰ্ণ দিশসমূহৰ চিন্তা-চৰ্চ্চা এই সমূহ পুথিভঁৰালৰ মজিয়াতে অঙ্কুৰিত হ'ব ধৰিছিল।

গ্ৰাম্য পুথিভঁৰাল আৰু সংঘসমূহ গঢ়ি উঠাৰ ধাৰাবাহিকতা অসমৰ গ্ৰাম্য জীৱনতো প্ৰতিফলিত হ'ব ধৰে বিশেষকৈ স্বাধীনতা আৰু পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সন্ধিক্ষণত। পূৰ্ব্বৰ বিকালী ডিহি অঞ্চলত এই ধাৰাবাহিকতা স্বাধীনোত্তৰ কালতহে প্ৰচলিত হ'ব ধৰে। তাহানিতে এক বিস্তৃত গ্ৰাম্যাঞ্চল,

বিশেষকৈ বৰ্ত্তমানৰ বিকালী মৌজা উন্নয়ন সমিতিৰ এলেকাধীন গাঁওসমূহৰ সৰ্ব্বাঙ্গীন উন্নতিৰ বাবে ধূপধৰাত ১৯৫০ চনত স্থাপন হৈছিল "ধূপধৰা মিলন সংঘ"। এই সংঘৰ জন্ম লগ্নৰ কৰ্মসূচীত উল্লেখ কৰা হৈছিল এই অঞ্চলৰ সৰ্ব্বাঙ্গীন উন্নয়নৰ কথা আৰু প্ৰস্তাৱ ৰখা হৈছিল এখন পুথিভঁৰাল স্থাপনৰ। নানা জনগোষ্ঠীৰ প্ৰতিনিধিৰ মিলন থলী এই মিলন সংঘ হৈ পৰিছিল সমসাময়িক শিক্ষিত আৰু দুৰদৰ্শী লোকৰ নানা উন্নয়নৰ দিশ চৰ্চ্চাৰ কেন্দ্ৰস্থল। চিন্তা-চৰ্চাত ঠাই পোৱা আটাইতকৈ গুৰুত্ব পূৰ্ণ দিশ আছিল নানা কাৰ্য্যসূচীৰ মাজেৰে ঐক্য-সংহতি স্থাপন কৰা, শিক্ষানুষ্ঠান পতা, বাতৰি আৰু কিতাপ পঢ়াৰ সুবিধা প্ৰদান, ৰাস্তাঘাট-বজাৰ উন্নয়ন, স্বাস্থ্য সেৱাৰ উন্নয়ন, সাহিত্য-সংস্কৃতিৰ উন্নয়ন আদি। উল্লেখযোগ্য যে বিকালী অঞ্চলৰ অন্যতম পুৰণি শিক্ষা কেন্দ্ৰ তথা সত্ৰ-সংস্কৃতিৰ গাঁও খেকাপাৰাত ১৯৪৯ চনত বাপুজী পুথিভঁৰাল গঢ়ি উঠিছিল আৰু শালপাৰাত তৰুন সংঘ ক্লাৱ ১৯৪৭ চনত (পিছত নিছলা পুথিভঁৰাল গঢ়ি উঠিছিল)। পৰবৰ্ত্তী সময়ত গ্ৰাম্য পুথিভঁৰাল স্থাপনৰ ধাৰাবাহিকতা বিকালী অঞ্চলৰ বিভিন্ন গাঁৱলৈ সম্প্ৰসাৰিত হ'ব ধৰে। পৰিশিষ্টত সেই সময়ত বিকালী অঞ্চলৰ গাঁওসমূহত স্থাপন হোৱা গ্ৰাম্য পুথিভঁৰালৰ এখন তালিকা দিয়া হ'ল।

এই গ্ৰাম্য পুথিভঁৰালসমূহ ঐতিহাসিক প্ৰয়োজনত গঢ়ি উঠিছিল বুলি ঠাৱৰ কৰিব পাৰি। কিন্তু কুৰি শতিকাৰ আশীৰ দশকৰ পৰা এই পুথিভঁৰাল সমূহৰ ধাৰাবাহিকতাত যতি পৰা পৰিলক্ষিত হয়। ভোগ সৰ্বোচ্চ বাতাবৰণ, বৈদ্যুতিক মাধ্যমৰ আগ্ৰাসন আৰু সামাজিক অস্থিৰতাই প্ৰধানকৈ এইবোৰৰ কাৰ্য্যকাৰিতাত হানি ঘটোৱা বুলি কব পাৰি। সম্প্ৰতি এই সংঘ আৰু পুথিভঁৰাল সমূহ পুনৰ ঠন ধৰি উঠাৰ এক বাতাবৰণৰ সৃষ্টি হোৱা পৰিলক্ষিত হোৱালৈ চাই এইবোৰৰ প্ৰাসঙ্গিতা উলাই কৰিব নোৱাৰি। এইবোৰ ঠন ধৰি উঠাত গ্ৰাম্য ৰাইজৰ আগ্ৰহ আৰু চৰকাৰী প্ৰত্যক্ষ সহযোগ জৰুৰী। অবিৰতভাৱে বাতৰি কাকতৰ যোগান, পুথি অধ্যয়ন, বৈদ্যুতিক মাধ্যম বিশেষকৈ ইণ্টাৰনেটৰ সুবিধা প্ৰদানেৰে এই গ্ৰাম্য পুথিভঁৰাল সমূহক সজাই তোলা সময়ৰ আহ্বান। এনে ব্যৱস্থা বাস্তবায়ন কৰি তুলিব পাৰিলে গ্ৰাম্য নাগৰিকৰ গুণগত মান উন্নত হোৱাৰ উপৰিও মানবীয় প্ৰমূল্যৰ আধাৰ সৃষ্টিত সহায়ক হ'ব।

## বিকালী অঞ্চলৰ গ্ৰাম্য পুথিভঁৰালৰ তালিকা

| ক্ৰঃ নং | পুথিভঁৰালৰ নাম | স্থাপনৰ বৰ্ষ | গাঁৱৰ নাম |
|---|---|---|---|
| ১ | বাপুজী | ১৯৪৯ | খেকাপাৰা |
| ২ | ধূপধৰা মিলন সংঘ | ১৯৫০ | ধূপধৰা |
| ৩ | খুটাবাৰী কালচাৰেল ক্লাব | ১৯৫৫/৫৬ | খুটাবাৰী |
| ৪ | চাপলাই জ্ঞান মন্দিৰ | ১৯৫৫/৫৬ | চাপলাই |
| ৫ | অৰুনোদয় | ১৯৫৬ | কোঠাকুঠি |
| ৬ | মিলন পুথিভঁৰাল | ১৯৫১ | মাছলাম |
| ৭ | খগেন্দ্ৰ নাথ/বি, বি. অ, জ্যোতি সংঘ | ১৯৬০ | বাগডোবা |
| ৮ | নিছলা পুথিভঁৰাল | ১৯৬৪/৬৫ | অম্বুক |
| ৯ | তৰুণ সংঘ (নিছলা) | ১৯৪৭ | শালপাৰা |
| ১০ | ছানজাৰাং ক্লাব | ১৯৬০ | দীঘলী |
| ১১ | দীঘলী বাখুৰপাৰা কৃষক ক্লাব | ১৯৬৯ | দীঘলী |
| ১২ | আদৰ্শ পুথিভঁৰাল | ১৯৫৭ | চেলেবৰী |
| ১৩ | আমবাৰী তৰুণ পুথিভঁৰাল | ১৯৪৮ | আমবাৰী |

অতি সম্প্ৰতি গঢ়ি উঠা পুথিভঁৰালৰ নাম এই তালিকাত অন্তৰ্ভূক্ত কৰা হোৱা নাই।

সাম্প্ৰতিক সময়ত গ্ৰাম্য পুথিভঁৰাল নথকা গাঁওবোৰতো নতুনকৈ এনে সংগঠনৰ জন্ম হোৱাৰ প্ৰৱনতা দেখা যায়। মানৱ সম্পদ উন্নয়ন মন্ত্ৰনালয়ে এই পুথিভঁৰাল সমূহ উন্নয়নৰ উপযুক্ত আঁচনি গ্ৰহণ কৰা উচিত।

•••

# খেলুৱৈ মানুহ

পৃথিৱীত এনে কোনো পুৰুষ বা মহিলা বিচাৰি পোৱা নাযাব যিয়ে কোনো দিনে হাঁহি বা কান্দি পোৱা নাই। মানৱ সমাজত ক্ৰীড়া কলাও তেনে এক সহজাত প্ৰবৃত্তি। ক্ৰীড়া অনভিজ্ঞ কোনো পুৰুষ বা মহিলা এই ভূ-ভাৰস্তত নোলাব। আপুনি কোনো খেলতে পাৰ্গত নহ'ব পাৰে, আপুনি অতি চিৰিয়াচ ব্যক্তিও হ'ব পাৰে বা খেল ধেমালি ভাল নাপাবও পাৰে। কিন্তু গভীৰ ভাবে এবাৰ ভাবি চাওক, আন নহ'লেও কোনো নহয় কোনোবা এটা খেলত আপুনি জড়িত হৈ পৰিছিল কব নোৱাৰাকৈয়ে। কড়ি-গুটি, লুকাভাকু, দৌৰা দৌৰি, টনা-আজোঁৰা, ফৰ্মুটি মৰা, ৰবাব টেঙা লঠিওৰা, পুতলা খেলা, দৰা-কইনা খেলা ইত্যাদি বোৰৰ কোনো নহয় কোনোবা এটাত আপুনি ভালদৰে অভ্যস্ত হৈ পৰিছিল। এইটোৱে প্ৰতিপন্ন নকৰেনে যে খেল আৰু আপুনি অভিন্ন ?

মানুহৰ মৌলিক প্ৰয়োজনৰ প্ৰান্তে প্ৰান্তে অৱসৰ বিনোদনৰ উপায় বোৰৰ বিভিন্ন খেলা-ধূলা সমান্তৰাল ভাবে প্ৰচলিত হৈ আহিছে। সভ্যতাৰ স্তৰে স্তৰে মোট সলাই সলাই সম্প্ৰতি বিভিন্ন ধৰণৰ ক্ৰীড়াই অনেকৰ জীৱনৰ ব্ৰত আৰু সাধনা ৰূপে প্ৰতিষ্ঠিত হৈছে। পৰম্পৰাগত ধনুৰ্বিদ্যা, অস্ত্ৰচালনা, লাঠিচালনা, কুস্তি, মল্লযুদ্ধ, ঘোঁৰাদৌৰ আদি কলাবোৰ ইতিহাস গৰকি অতীজৰে পৰা সভ্য সমাজৰ অস্তিত্ব প্ৰতিপন্নৰ অপৰিহাৰ্য্য অঙ্গ হৈ পৰিছিল। সেইদৰে আধুনিক ক্ৰীডাংগনে অৱসৰ বিনোদনতে সীমিত নাথাকি সমাজ ব্যৱস্থাৰ ধাৰাবাহিকতা অক্ষুন্ন ৰখাৰ অন্যতম প্ৰধান আলম হৈ পৰিছে। ক্ৰীড়াও চৌষষ্ঠি কলাৰ অন্তৰ্ভূক্ত হেতু এই কলা আধুনিক শিক্ষা ব্যৱস্থাৰ অন্যতম পাঠ্য-পঠন হৈ পৰিছে। এনে পৰিপ্ৰেক্ষিততে কি উন্নত, কি অনুন্নত সকলো দেশতেই সাংগঠনিক ৰূপত চৰকাৰী বা বেচৰকাৰী প্ৰচেষ্টা অব্যাহত হৈ আছে।

সাংগঠনিক ৰূপত সাম্প্ৰতিক সভ্যতাত এনে এটা কলা নাই যিয়ে ক্ৰীড়া কলাক অতিক্ৰম কৰিব পাৰে। বিশ্বৰ সমগ্ৰ মানুহক সংগঠিত ৰূপত সামৰিব পৰা একমাত্ৰ কলা হিচাপে ক্ৰীড়াংগনে প্ৰতিষ্ঠা লাভ কৰিছে। এতিয়া আধুনিক ক্ৰীড়াজগতে বিশ্বৰ কোনো গাঁও বা কোনো চুবুৰীকে স্পৰ্শ নকৰাকৈ থকা নাই। ক্ৰীড়া কলাক বিশ্বজনীন স্বীকৃতি প্ৰদানৰ বাবে বিশ্ববাসীক সামৰি অলিম্পিক খেল এনে এক বিশ্বমহাসমাৰোহৰ জনপ্ৰিয়তা দিনক দিনে বৃদ্ধি হ'ব ধৰিছে। এনে সমাৰোহে তেলপানী, ক'লা-বগা, ধনী-দুখীয়া সকলোৰে দ্বাৰা একেখন চোতালত মহা মিলন তীৰ্থলৈ ৰূপান্তৰ ঘটাইছে। অৰ্থব্যৱস্থাৰ বেপাৰ-বাণিজ্যৰ সম্প্ৰসাৰণ, সংকোচন আদিতো আধুনিক ক্ৰীড়াজগতৰ বিস্তাৰে প্ৰভাৱ নেপেলোৱাকৈ থকা নাই।

ব্যায়ামকেন্দ্ৰিক ক্ৰীড়াই মানসিক পৰিপুষ্টি বঢ়োৱাৰ উপৰিও মনোযোগ আৰু আত্ম প্ৰত্যয়ো বৃদ্ধি কৰে। শিক্ষাৰো এক অন্যতম অংগ হিচাপে ক্ৰীড়াঙ্গণৰ অৱস্থা ভাৰতবৰ্ষ বা অসমত পুতৌ লগা হোৱাৰ বিপৰীতে গবেষণা লব্ধ চিন্তা চৰ্চাৰ বাবেকৈয়ে প্ৰয়োজন হৈ পৰিছে। বিগত শতিকাৰ যুগান্তকাৰী মুকুতা পেলে, ব্ৰেডমেন, ফ্লোৰেঞ্চ গ্ৰিফিথ্ জয়নাৰ, মাইকেল জৰ্ডন, ষ্টেফি গ্ৰাফ, কাৰ্ল লুইচ, জাহাঙ্গীৰ খান আদি সৃষ্টি কৰা বাতাবৰণ তৈয়াৰ কৰাৰ প্ৰয়াস আমিও নকৰোঁ কিয় ? অৱশ্যে ভাৰতৰ পুতৌ লগা অৱস্থাৰ পৰাও ধ্যানচান্দ, বিশ্বনাথন আনন্দ, পি. টি. ঊষা, চানিয়া মিৰ্জা, চাইনা নেহোৱালৰ লেখীয়া তাৰকা সৃষ্টি নোহোৱাকৈ থকা নাই। জন্ম লগ্নৰে পৰা বগা হাতীত পৰিণত হোৱা ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰণালয়ে খেলাধূলাৰ বুনিয়াদ গঢ়ি তোলাত অপাৰগ। সেই অনুপাতে ব্যক্তিগত প্ৰচেষ্টা আৰু বেচৰকাৰী সংস্থাসমূহৰ কাৰ্য্য কিছু প্ৰসংশনীয়। তৎসত্বেও এইসকলৰ আৰু বহুত কৰিব লগীয়া নথকা নহয়। অৱশ্যে এনে বাতাবৰণ সামগ্ৰিক সুস্থ পৰিৱেশৰ ওপৰতো নিৰ্ভৰশীল যদিও বিজ্ঞানভিত্তিক চিন্তা চৰ্চ্চাৰ অতীৱ প্ৰয়োজন হৈ পৰিছে। অসমত খেলাধূলাৰ প্ৰচুৰ সম্ভাৱনা আছে বাবে প্ৰধানকৈ গ্ৰাম্যঞ্চলত কিদৰে ক্ৰীড়াৰ বাতাবৰণ সৃষ্টি কৰিব পাৰি তাৰ বাবে বৈজ্ঞানিক বিশ্লেষণৰ ব্যৱস্থা কৰা নিশ্চয় সকলো খেলুৱৈ মানুহৰ কৰণীয়।

●●●

# ক্ৰীড়া শৈলী আৰ্চাৰীলৈ এভূমুকি

আদিম অৱস্থাত মানুহৰ প্ৰধান খাদ্য সংগ্ৰহৰ বাবে যিমানবোৰ কৌশল স্বাভাৱিক ভাবে গ্ৰহণ কৰা হৈছিল তাৰ ভিতৰত ধনুৰ পৰা কাঢ় এৰি জন্তু, চৰাই আদি চিকাৰ কৰা কাৰ্য্য অন্যতম সহজ উপায় আছিল। মানৱ জাতিয়ে প্ৰায় ৩০ হাজাৰ মান বছৰ পূৰ্বেই ধনু কাঢ়ৰ ব্যৱহাৰ শিকিছিল। উল্লেখযোগ্য যে, বিশ্বৰ প্ৰায়বোৰ দেশ চিকাৰৰ এই আদিম কৌশল পৰিহাৰ কৰি ইয়াক আধুনিক জনপ্ৰিয় ক্ৰীড়া কলা বুলি অভিহিত কৰাৰ বিপৰীতে আফ্ৰিকা মহাদেশৰ অনেক অঞ্চলত কেইবাটাও আদিম জনগোষ্ঠীৰ লোক এতিয়াও ইয়াক চিকাৰৰ প্ৰধান আহিলা হিচাপে ব্যৱহাৰ কৰি আছে।

ঐতিহাসিক প্ৰেক্ষাপটত দেখা যায় যে- অতি আদিম সভ্যতাৰ সময়ৰ পৰাই এই কৌশলক ক্ৰমে চিকাৰ আৰু যুদ্ধৰ প্ৰধান অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হৈছিল। অতি পুৰণি চিকাৰৰ এই আহিলা আৰু ইয়াক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা কৌশল সাম্প্ৰতিক আধুনিক সভ্যতাৰ জনপ্ৰিয় ক্ৰীড়াৰ অন্যতম বুলি গণ্য কৰা হয়। আধুনিক ক্ৰীড়াৰ এক প্ৰধান, সহজ আৰু জনপ্ৰিয় এই ক্ৰীড়া কৌশল ক্ৰমে বিশ্বজুৰি স্থানীয় অৱস্থাৰ পৰা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ আনুষ্ঠানিক বৃত্তিমূলক খেল হিচাপে স্বীকৃতি লাভ কৰিছে। এনে উত্তৰণৰ পেক্ষাপটত আৰ্চাৰী খেল প্ৰথম বাৰৰ বাবে বিশ্ব পৰিক্ৰমাত ১৯৩১ চনৰ পৰাই দি ফেডাৰেচন ইণ্টাৰ নেশ্চনেল টি আই আৰ্চে "FITA" আন্তৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিব ধৰে। প্ৰথম অৱস্থাত এই ক্ৰীড়া অকল পুৰুষৰ বাবে অনুষ্ঠিত কৰা হৈছিল, যদিও পৰবৰ্ত্তী সময়ত বিশেষকৈ ১৯৩৩ চনৰ পৰা পুৰুষ আৰু মহিলা উভয় শাখাতে অনুষ্ঠিত হ'ব ধৰে আৰু সম্প্ৰতি বিশ্ব

ক্ৰীড়া মহোৎসৱৰ অন্যতম খেল বুলি গণ্য কৰা হয়। সকলো ক্ৰীড়াবিদৰ সৰ্বোচ্চ সপোন অলিম্পিকত যোৱাৰ নজিৰ জয়ন্ত তালুকদাৰে দাঙি ধৰাৰ লেখীয়াকৈ অসমৰ আন এজন আৰ্চাৰ গোৱালপাৰা জিলাৰ ৰাজীৱ বসুমতাৰীও ৰক্ষা কৰিব বুলি উমান পোৱা গৈছে।

ইতিহাসৰ নানা পৰিক্ৰমাৰ মাজেৰে সম্প্ৰতি সকলো দেশ, ৰাজ্য আৰু অঞ্চলতে জনপ্ৰিয় হ'ব ধৰা খেল বিধত উঠি অহা যুৱক যুৱতীয়ে ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় আনকি ক্ৰীড়াৰ আটাইতকৈ বৃহৎ ক্ৰীড়া মহোৎসৱ অলিম্পিকলৈ যোৱাৰ বাবে দলীয় তথা ব্যক্তিগত ইভেণ্টত ভাগ লোৱাৰ সপোন বাস্তবায়িত কৰাৰ উজু খেলবিধেই হ'ল আৰ্চাৰী। ধনু আৰু কাঢ় সম্পৰ্কে অবিদিত লোক আমাৰ অঞ্চলত থাকিব পাৰে বুলি মনে নধৰে। এনেহেন সৰ্বজন বিদিত ক্ৰীড়া কৌশল আৰ্চাৰী ৰূপ পৰিগ্ৰহ কৰি বৃত্তি মূলক খেল হিচাপে পৰিগণিত হৈছে। এইবিধ খেলৰ বলতে অসমৰ সন্তান তৃতীয় গৰাকী অলিম্পিয়ান জনে হ'ল জয়ন্ত তালুকদাৰ আৰু চতুৰ্থ বা পঞ্চম গৰাকী গোৱালপাৰাৰ ৰংজুলিৰ ৰাজীৱ বসুমতাৰী হ'ব বুলি আমাৰ হিচাপত ধৰা পৰে। এইবিধ খেলত জড়িত হৈ আমাৰ অঞ্চলৰ অনেক যুৱক যুৱতীয়ে ইতিমধ্যে খ্যাতি লাভ কৰি চৰকাৰী কৰ্ম সংস্থাপনো লাভ কৰিছে।

আৰ্চাৰী ক্ৰীড়াৰ সামগ্ৰিক প্ৰেক্ষাপটত গোৱালপাৰা জিলাত ইয়াৰ আগমণ বেছি পুৰণি নহয়। ১৯৯৫ চন মানত ধনুভাঙাৰ শ্ৰীমুকুন্দ বসুমতাৰীৰ ব্যক্তিগত প্ৰচেষ্টাত কেইবা গৰাকী খেলুৱৈ ৰাষ্ট্ৰীয় পৰ্য্যায়ত খ্যাতি লভাৰ পিছত অসম আৰ্চাৰী সন্থাৰ তদানিন্তন সম্পাদক শ্ৰীঅশোক বসুমতাৰীৰ দৃষ্টি এই অঞ্চলৰ আৰ্চাৰৰ সম্ভাৱনীয়তাৰ ওপৰত পৰে। উল্লেখযোগ্য যে, শ্ৰীঅশোক বসুমতাৰীৰ অনুৰোধত ১৯৯৮ চনত আমাৰ আহ্বানত ধূপধৰা মিলন সংঘত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰি আনুষ্ঠানিক ভাবে গোৱালপাৰা জিলা আৰ্চাৰী সন্থাৰ জন্ম দিয়া হৈছিল। ধূপধৰা নিবাসী শ্ৰীৰাজেশ্বৰ হাজোৱাৰীক সভাপতি, নিবন্ধকাৰক কাৰ্য্যকৰী সভাপতি আৰু শ্ৰীমুকুন্দ বসুমতাৰীক সম্পাদকৰ বিষয় বাবেৰে তথা কিছু গণ্য মান্য ব্যক্তিক লৈ উক্ত সমিতিখন গঠন কৰি আৰ্চাৰী খেলুৱৈৰ সৃষ্টিত মনোনিৱেশ কৰা হৈ আছে। গোৱালপাৰা জিলাৰ আৰ্চাৰ সমূহৰ

বিগত সময় ছোৱাত প্ৰতিফলিত হোৱা পাৰদৰ্শিতা সততে বিভিন্ন বাতৰিত প্ৰকাশিত হৈ আহিছে। পৰৱৰ্ত্তী সময়ত অতি উৎসাহী যুৱক ছাত্ৰবৰ শ্ৰীপ্ৰতুল ৰয়ক সম্পাদকৰ দায়িত্ব দি বৰ্ত্তমান জিলা আৰ্চাৰী সন্থাই যথেষ্ট পাৰদৰ্শিতা অৰ্জন কৰি আছে যদিও কৰণীয় যথেষ্ট আছে। সম্প্ৰতি এই জিলা আৰ্চাৰী সন্থাই যোৱা পাঁচ বছৰ ধৰি অতি নিবিড় ভাবে অপাৰেচন গল্ড প্ৰকল্পৰে আৰ্চাৰ সকলক উপযুক্ত প্ৰশিক্ষকৰ দ্বাৰা বিজ্ঞানসন্মত ভাবে প্ৰশিক্ষন দি আছে। অতি সীমিত পৰিকাঠামোৰ মজতো গোৱালপাৰা জিলা আৰ্চাৰী সন্থাৰ সমূহ বিষয়ববীয়া, আৰ্চাৰ সকল, তেওঁলোকৰ অভিভাৱক, দুধনৈ, দৰংগিৰি, ৰংজুলি, ধনুভাঙা, ধূপধৰা আদি অঞ্চলৰ ক্ৰীড়া প্ৰেমী ৰাইজৰ আকুণ্ঠ উৎসাহে খেলুৱৈ সৃষ্টিত অৰিহণা যোগাই আছে।

●●●